জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫৪/২০২১

## জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# জনজাতিসকলৰ সমস্যাসমূহ সমাধানৰ বাবে তিনিজনীয়া কেবিনেট কমিটী গঠনৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ জনজাতীয় লোকসকলৰ বিভিন্ন সমস্যাসমূহৰ সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে গুৱাহাটীৰ কইনাধৰাস্থিত ১ নম্বৰ ৰাজ্যিক অতিথিশালাত এক বৈঠকত মিলিত হয়। সৰ্বমুঠ ২৪ টা জনজাতীয় ছাত্ৰ আৰু সামাজিক সংগঠনে এই বৈঠকত অংশ লয়।

বৈঠকত অংশগ্ৰহণ কৰি জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰতিনিধিসকলে ট্ৰাইবেল বেল্ট আৰু ব্লক, বনবাসীসকলৰ ভূমিৰ অধিকাৰ, বেকলগ পদ পূৰণ, জনজাতি স্বায়ত্ত শাসিত পৰিষদসমূহলৈ সাংবিধানিক স্বীকৃতি প্ৰদানকে ধৰি মুখ্যমন্ত্ৰীক দহ দফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সমন্বয়ৰক্ষী সমিতিৰ দাবীসমূহ বিশ্লেষণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জনজাতি লোকসকলৰ বিভিন্ন সমস্যাসমূহ মীমাংসা কৰাৰ বাবে ৰাজ্য চৰকাৰে এখন তিনিজনীয়া সদস্যৰ কেবিনেট কমিটী গঠন কৰিব। এই কমিটীয়ে জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিসমূহৰ সৈতে নিয়মীয়াকৈ আলোচনাত মিলিত হৈ সমস্যাসমূহ সমাধানৰ বাবে পদক্ষেপ ল'ব। অহা ৬ মাহৰ পিছত সমন্বয়ৰক্ষী সমিতিৰ সৈতে পৰৱৰ্তী বৈঠকত মিলিত হৈ মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপসমূহৰ অগ্ৰগতিৰ বুজ ল'ব।

আজিৰ বৈঠকত শিক্ষা মন্ত্ৰী তথা ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োৰ লগতে ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থাকে।

**বীঃগঃ /০৮-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in